মন্দিৰ সজোৱাৰ উপৰিও মন্দিৰবোৰৰ ভৱিষ্যৎ ৰক্ষণাবেক্ষণ আৰু বিগ্ৰহৰ পূজাৰ্চনা নিয়মীয়াকৈ চলাৰ উদ্দেশ্যে যথেষ্ট পৰিমাণৰ মাটি-বাৰী দান কৰিছিল। মন্দিৰৰ দৰে বৈষ্ণৱ সত্ৰবোৰৰ উন্নয়নৰ কাৰণেও তেওঁলোকে উপযুক্ত ব্যৱস্থা লৈছিল। আউনীআটি, গড়মুৰ, দক্ষিণপাট, কুৰুৱাবাহী আদি ডাঙৰ সত্ৰই প্ৰতিপত্তি লাভ আৰু গৰিমা বিকাশত ৰাজ-অনুগ্ৰহ পাব পাৰিছিল। কোচ আৰু আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাৰ ফলতেই অসমীয়া শাক্ত আৰু বৈষ্ণৱ সাহিত্য ভাৰতীয় সাহিত্যৰ ভিতৰত ভাকত জিলিকা হৈ উঠিছিল। এইদৰে ৰজাসকলৰ বিভিন্ন ধৰ্মলৈ দেখুওৱা শ্ৰদ্ধা আৰু উদাৰতাৰ আদৰ্শই স্বাভাৱিকতে প্ৰজাসকলকো অনুপ্ৰাণিত কৰিছিল। সেই কাৰণে কেতিয়াবা ক'ৰবাত কিবা বিশেষ কাৰণত ধৰ্ম বিৰোধ হলেও সাধাৰণতে পৰস্পৰ মিলনৰ ভাবটোহে বিভিন্ন ধৰ্মীয় লোকৰ মাজত দেখা গৈছিল।

আজিৰ অসমীয়া সমাজত আমি দেখো কি? শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ বিৰোধ নে সমন্বয়? এইটো স্বীকাৰ কৰিব লাগিব যে, স্বৰাজোত্তৰ কালত বিভিন্ন জাতি-উপজাতি, দল-উপদলৰ মাজত নিজক প্ৰতিষ্ঠা কৰাৰ কাৰণে প্ৰতিযোগিতা কৰা বা নিজক যোগ্য কৰি তোলাতকৈ গোট গোট হৈ ফালৰি কটাৰ মনোভাবহে একাংশ লোকৰ মাজত প্ৰকট হৈ উঠিছে। এই প্ৰবন্ধত সিবোৰৰ কাৰণ ব্যাখ্যা অপ্ৰাসঙ্গিক; কিন্তু এই কথা ক'ব পাৰি যে, আজি শাক্ত আৰু বৈষ্ণৱৰ মাজত কোনো বিৰোধ মনোভাব সক্ৰিয় হৈ উঠা নাই। গোড়া লোকসকলৰ কথা সুকীয়া; তেওঁলোকৰ শিক্ষা-দীক্ষা, ধৰ্ম-কৰ্ম সকলোতে গোড়ামি-ৰক্ষণশীলতা; কিন্তু জনসাধাৰণৰ, অথবা যিসকলে উচ্চ শিক্ষাৰ লগতে নিজকে উদাৰ কৰিবলৈ শিকিছে তেওঁলোকৰ মনত শাক্ত-বৈষ্ণৱৰ বিশেষ কোনো ভেদাভেদ নাই। তেওঁলোকে যেনেকৈ শিৱ, দুৰ্গা, কালী,



লক্ষ্মী, সৰস্বতী, গণেশ আদিৰ পূজা-উৎসৱত অংশ গ্ৰহণ কৰে, নাইবা পূজাৰ ভোগ খায়, তেনেকৈ জন্মাষ্টমী, ৰাসযাত্ৰা, দোলযাত্ৰা, শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ, হৰিদেৱ আদি মহাপুৰুষসকলৰ তিথি-পাৰ্বণ আদিতো যোগ দিয়ে, নাম-কীৰ্তন কৰে আৰু মাহ-প্ৰসাদ আদি খাই আনন্দ লাভ কৰে। ইয়াৰ উপৰি অসমত 'আই-সবাহ' 'সুকনী-নাম', 'জগন্নাথৰ নাম', 'সবি' আদিকে ধৰি কিছুমান শাক্ত-বৈষ্ণৱ ধৰ্মানুষ্ঠান আছে যিবোৰ আচৰণত শাক্ত-বৈষ্ণৱ নিৰ্বিশেষে প্ৰায় সকলো ধৰ্মৰ লোকে নিজৰ ঘৰত শ্ৰদ্ধাৰে পালন কৰে। সেইদৰে ব্ৰহ্মাৰ লগতে শিৱ-বিষ্ণু-ভক্তিৰ সমন্বয়ৰ অনুষ্ঠান 'ত্ৰিনাথৰ পূজা'ও শাক্ত-বৈষ্ণৱৰ মাজত পালিত হোৱা দেখা যায়। সেইদৰে শিৱৰাত্ৰি-মেলা, দুৰ্গোৎসৱ আৰু দৌল-ৰাসোৎসৱ ক্ৰমে শৈৱ, শাক্ত আৰু বৈষ্ণৱ উৎসৱ হলেও ইবোৰৰ সৰ্বজনপ্ৰিয়তা এটি আদৰণীয় লক্ষণ। পূজা-পাৰ্বণ আদিৰ দৰে ধৰ্মীয় সাহিত্য পঠন-পাঠনৰ ক্ষেত্ৰতো বিভিন্ন ধৰ্মৰ লোকৰ মাজত উদাৰতা দেখা যায়। উদাহৰণ স্বৰূপে, কীৰ্তন, ভাগৱত আদি গ্ৰন্থবোৰ বৈষ্ণৱ গ্ৰন্থ অসমীয়ালোকে ধৰ্ম-নিৰ্বিশেষে পাঠ কৰে। সেইদৰে বৈষ্ণৱ ধৰ্মৰ লোক সকলেও 'হৰগৌৰীৰ বিবাহ', সুকবি নাৰায়ণদেৱৰ 'পদ্মা-পুৰাণ' আদি অনা-বৈষ্ণৱ গ্ৰন্থৰ কাব্যামৃত পান নকৰা নহয়।

এইদৰে শৈৱ, শাক্ত আৰু বৈষ্ণৱ ধৰ্মৰ সমন্বয়ত এখন সম্মিলিত আৰু মধুৰ ভাবেৰে পৰিপূৰ্ণ অসমীয়া সমাজ গঢ় লৈ উঠা দেখা যায়। কেতিয়াবা কেতিয়াবা বৈষ্ণৱ ধৰ্মৰ বিভিন্ন পন্থী লোক কিছুমানৰ মাজত অশ্ৰদ্ধা, পৰনিন্দাসূচক মনোভাব আদিয়ে দেখা দিলেও তেনেবোৰ ভাব একেবাৰেই নিৰ্মূল কৰাটোহে নিজৰ আৰু দেশৰ কাৰণে মঙ্গলদায়ক। আজি ৰাষ্ট্ৰীয় সংহতিৰ দিনত আমাৰ অৱহেলিত আৰু নিষ্পেষিত অসমৰ সমাজখনে